# দৰ্শনৰ সংজ্ঞা
# (Definition of Philosophy)

ভিন ভিন দাৰ্শনিকে বিভিন্ন সময়ত দৰ্শনৰ সংজ্ঞা বেলেগ বেলেগ ধৰণেৰে দিছে। তলত কেইটামান সংজ্ঞা উল্লেখ কৰা হ'ল।

(ক) গ্ৰীক দাৰ্শনিক প্লেটোৰ (Plato) মতে, দৰ্শনৰ লক্ষ্য হ'ল নিত্যসত্তা অৰ্থাৎ বস্তুৰ স্বৰূপ লক্ষণৰ জ্ঞান - "Philosophy aims at the knowledge of the eternal of the essential nature of things."

(খ) দাৰ্শনিক এৰিষ্টটলৰ (Aristotle)ৰ মতে, "দৰ্শন হ'ল এক বিজ্ঞান যি নিজস্ব ৰূপত থকা সত্তাৰ স্বৰূপক আৰু ইয়াৰ স্বৰূপ লক্ষণৰ লগত জড়িত গুণসমূহক অনুসন্ধান কৰে" --"Philosophy is the science which investigates the nature of being as it is in itself, and the attributes which belong to it in virtue of its own nature."

(গ) জাৰ্মান দাৰ্শনিক ইমানুৱেল কান্ট (Immanual Kant)ৰ মতে - "দৰ্শন হ'ল জ্ঞানৰ বিজ্ঞান আৰু সমালোচনা বা বিচাৰ" - "Philosophy is the science and criticism of cognition."

(ঘ) দাৰ্শনিক হাবাৰ্ট স্পেনসাৰৰ (Herbert Spencer)মতে, "দৰ্শন সম্পূৰ্ণৰূপে সংযোজিত এক জ্ঞান" - "Philosophy is completely unified knowledge."

(ঙ) দাৰ্শনিক Wandt (ৱাণ্ডৎ) ৰ মতে, "দৰ্শন বিশেষ বিশেষ বিজ্ঞান সমূহৰ দ্বাৰা লাভ কৰা সকলো জ্ঞানৰ সংগতিপূৰ্ণ সমগ্ৰত এক সংযোজন" "Philosophy is the unification of all knowledge obtained by the special sciences in a consistent whole."

(চ) দাৰ্শনিক পলছেনৰ (Paulsen) মতে, "দৰ্শন সকলোবোৰ বৈজ্ঞানিক জ্ঞানৰ এক সমাহাৰ" "Philosophy is the sum total of all scientific knowledge".

(ছ) শিক্ষাবিদ জন ডিৱিৰ (John Dewey) মতে, "দৰ্শনে এনে এটা জ্ঞানক লাভ কৰা বুজায়, যি জীৱনৰ আচৰণৰ ওপৰত প্ৰভাৱ পেলায়" - "Philosophy signifies achieving a wisdom that would influence the conduct of life."

(জ) দাৰ্শনিক উইণ্ডেলবাণ্ডৰ (Windelband) মতে, 'দৰ্শন হ'ল সাৰ্বজনীন প্ৰমূল্যৰ এক বিচাৰ মূলক বিজ্ঞান' - "Philosophy is the critical science of universal value".

(ঝ) দাৰ্শনিক ফিটচে (Fitche)ৰ মতে, "দৰ্শন হ'ল জ্ঞানৰ বিজ্ঞান" - "Philosophy is the science of knowledge".

(ঞ) দাৰ্শনিক কমটে (Comte)ৰ মতে, "দৰ্শন হৈছে বিজ্ঞানৰ বিজ্ঞান" - "Philosophy is the science of sciences"